**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 16**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। ফ্ৰান্সৰ ইভিয়ানত কালিৰে পৰা জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ ৫২ সংখ্যক সন্মিলন আৰম্ভ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্লোভাকিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে সন্মানিত কৰা হৈছে।

৩। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে স্নাতক পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে শান্তি চুক্তিত উপনীত হোৱাৰ বিষয়ে ঘোষণা কৰাৰ পাছতে পশ্চিম এছিয়াত ব্যাপকভাৱে যুদ্ধৰ তীব্ৰতা হ্ৰাস পোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে।

০০০০

ফ্ৰান্সৰ ইভিয়ানত কালিৰে পৰা জি-৭ ৰাষ্ট্ৰগোষ্ঠীৰ ৫২ সংখ্যক সন্মিলন আৰম্ভ হৈছে। বৈঠকত বিশ্বৰ আগশাৰীৰ অৰ্থনীতিসম্পন্ন দেশসমূহৰ নেতৃবৃন্দ বৃহৎ আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত আলোচনাত মিলিত হৈছে। বৈঠকৰ সৈতে সংগতি ৰাখি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰই "বৃহৎ আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ একেলগে কাম কৰা" বিষয়ত আলোচনা কৰিবলৈ কালি নৈশভোজৰো আয়োজন কৰে। ইয়াৰ পূৰ্বে শ্ৰীমেক্ৰই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰকে ধৰি জি-চেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলক আনুষ্ঠানিকভাৱে আদৰণি জনায়। সন্মিলনত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ভন ডেৰ লেয়েন আৰু ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' কোষ্টায়ো ভাগ লৈছে। এই তিনিদিনীয়া শীৰ্ষ সন্মিলনৰ সময়ছোৱাত নেতাসকলে বিশ্বৰ ভাৰসাম্যহীনতা হ্ৰাস কৰা, বৃহৎ ভূ-ৰাজনৈতিক সংকট, শিশুৰ সৈতে জড়িত বিষয়সমূহৰ মোকাবিলা কৰা, সংগঠিত অপৰাধ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে যুঁজ শক্তিশালী কৰা আদি বিষয়ত আলোচনা কৰাৰ আশা কৰা হৈছে। উল্লেখযোগ্য যে জি-চেভেন

শীৰ্ষ সন্মিলন হৈছে জি-চেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰ কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতাসকলৰ বাবে প্ৰতি বছৰে অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় আলোচনা মঞ্চ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ফ্ৰান্সৰ ইভিয়ানত উপস্থিত হ'ব। দেশখনৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰই প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনাব।

সন্মিলনত প্ৰধানমন্ত্ৰীগৰাকীয়ে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতা, সহযোগী দেশসমূহৰ নেতৃবৃন্দ আৰু বিশ্ব বেংক তথা আফ্ৰিকান উন্নয়ন বেংকৰ প্ৰতিনিধিবৰ্গৰ সৈতে **নতুন সহযোগিতা গঢ়ি তোলা আৰু আন্তঃৰাষ্ট্ৰীয় সংহতিৰ পুনৰ বিকাশ** শীৰ্ষক এখন কৰ্মশালাত অংশ ল'ব।

সন্মিলনৰ আপাহতে শ্ৰী মোদীয়ে কানাডা, ব্ৰিটেইন আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ লোৱাৰ কথা আছে। ইয়াৰ পাছত তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে অতিথিসকলৰ সন্মানাৰ্থে আয়োজন কৰা নৈশ ভোজমেলত উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত সন্মিলনকে ধৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এতিয়ালৈ একেলেথাৰিয়ে সপ্তমবাৰৰ বাবে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্লোভাকিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে সন্মানিত কৰা হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীণিয়ে প্ৰধানমন্ত্ৰীগৰাকীক **ডি অৰ্ডাৰ অব দ্যা হোৱাইট ডাবল ক্ৰছ, ফাৰ্ষ্ট ক্লাছ** নামৰ এই বঁটাৰে সন্মানিত কৰে। বঁটা গ্ৰহণ কৰি শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি, চৰকাৰ আৰু জনসাধাৰণলৈ ধন্যবাদ জ্ঞাপন কৰে। বঁটা গ্ৰহণ কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত দেশখনৰ সৈতে হোৱা বুজাবুজিৰ বিষয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এয়া ১৪০ কোটি ভাৰতীয়লৈ শ্লোভাকিয়াই আগবঢ়োৱা সন্মান। বঁটা গ্ৰহণ কৰি শ্ৰী মোদীয়ে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত থকা দীৰ্ঘদিনীয়া মিত্ৰতাৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰে। এই সন্মানক উভয় দেশৰ জনসাধাৰণক একত্ৰিত কৰা বিশ্বাস আৰু মৰমৰ প্ৰতীক হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই সন্মানে ভাৰত আৰু শ্লোভাকিয়াৰ ভৱিষ্যত প্ৰজন্মক এই বিশেষ মিত্ৰতাক আগুৱাই নিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে স্নাতক পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ নিৰাপত্তা তথা প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। তেওঁ পৰীক্ষাৰ্থীসকলৰ সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ সংহতিত বিশেষ গুৰুত্ব প্ৰদান কৰি ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়।

বৈঠকত গৃহ সচিবগৰাকীয়ে ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ আৰু প্ৰতিটো কেন্দ্ৰীয় সংস্থাক পৰীক্ষা সম্পৰ্কীয় নিৰাপত্তাৰ বিধি মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত ৰে'লৱে ব'ৰ্ডৰ অধ্যক্ষই

পৰীক্ষাৰ্থীসকলৰ সুগম যাত্ৰা নিশ্চিত কৰাত সহযোগিতা আগবঢ়োৱা হ'ব বুলি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক আশ্বাস দিয়ে।

বৈঠকত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব, উচ্চ শিক্ষা বিভাগৰ সচিব আৰু ডাক বিভাগ, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, প্ৰতিৰক্ষা মন্ত্ৰালয় আদি বিভিন্ন বিভাগ তথা মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে প্ৰায় চাৰি মাহজোৰা সংঘাটৰ অৱসান ঘটোৱাৰ লক্ষ্যৰে শান্তি চুক্তিত উপনীত হোৱাৰ বিষয়ে ঘোষণা কৰাৰ পাছতে পশ্চিম এছিয়াত ব্যাপকভাৱে যুদ্ধৰ তীব্ৰতা হ্ৰাস পোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। ইতিমধ্যে এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা সম্পৰ্কে উভয় ৰাষ্ট্ৰৰ বিষয়বৰ্গই  নিশ্চিত কৰিছে। অহা শুকুৰবাৰে ছুইজাৰলেণ্ডৰ জেনেভাত আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কাৰ্যসূচী অনষ্ঠিত হ'ব। চুক্তিখন স্বাক্ষতিৰ হোৱাৰ পাছতে হৰমুজ প্ৰণালী মুকলি হোৱাৰ লগতে সামুদ্ৰিক যাতায়াত পুনৰ আৰম্ভ আৰু ইৰানৰ পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত ৬০ দিনীয়া আলোচনা আৰম্ভ হোৱাৰ লগতে আন আন সমস্যা সমাধানৰ পথ মুকলি হ'ব। এই চুক্তিয়ে সমগ্ৰ মধ্য প্ৰাচ্যলৈ শান্তি ঘূৰাই আনিব বুলি আশা কৰা হৈছে। চুক্তিখনৰ বিষয়ে কৰা ঘোষণাৰ পাছতে বজাৰত পৰা ইতিবাচক প্ৰভাৱৰ ফলত তেলৰ মূল্য সুলভ হ'বলৈ আৰম্ভ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কাৰ্যসূচীৰ পাছতহে চুক্তিখনৰ বিষয়ে সবিশেষ প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰিছে। ইপিনে উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সে চুক্তিখনত ডিজিটেল স্বাক্ষৰ হোৱাটো নিশ্চিত কৰি ইয়াক সংঘাট অন্ত পেলোৱাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰছে।

০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে চলিত বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ ফলাফলসমূহ ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা অনুসৰি এইবেলি এক হাজাৰতকৈ অধিক খালী পদৰ বাবে ১৩ হাজাৰতকৈও বেছি প্ৰাৰ্থীক মূল পৰ্যায়ৰ বাবে বাচনি কৰা হৈছে। আয়োগে upsc.gov.in  ৱেবছাইট যোগে প্ৰাৰ্থীসকলক প্ৰাৰম্ভিক পৰ্যায়ৰ ফলাফলসমূহ সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে। বিগত বৰ্ষত এহেজাৰ ৮৭ টা খালী পদৰ বিপৰীতে কেন্দ্ৰীয় অসামৰিক সেৱা পৰীক্ষাৰ মূল পৰ্যায়লৈ ১৪ হাজাৰতকৈও অধিক প্ৰাৰ্থীক বাচনি কৰা হৈছিল বুলি আয়োগে লগতে প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কালি ম'ৰেকোৰ বিদেশ পৰিক্ৰমা আৰু মবায় মন্ত্ৰী ঈষাবেল বেৰ'-আমাদেই, দেশখনৰ বিত্তমন্ত্ৰী ফ্ৰেডেৰিক কট্টাল'ৰ্ডা আৰু আন কেইবাগৰাকীও শীৰ্ষ মন্ত্ৰী তথা নেতাক সাক্ষাৎ কৰে। আলোচনা কালত ভাৰতৰ সৈতে দেশখনৰ দ্বিপাক্ষিক সম্পৰ্ক ত্বৰান্বিত কৰাৰ লগতে বিনিয়োগৰ সুবিধাৰ অন্বেষণ আৰু বিত্তীয় সহযোগিতা শক্তিশালী কৰাৰ দৰে বিষয়সমূহে স্থান পায় বুলি সামাজিক মাধ্যমত শ্ৰী গোৱেলে উল্লেখ কৰে।

০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজিৰে পৰা নতুন দিল্লীত চলিত বৰ্ষৰ **বিকশিত ভাৰত** যুৱ সংসদৰ আয়োজন কৰিছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানটো  মুকলি কৰিব। মন্ত্ৰালয়ে

প্ৰকাশ কৰা অনুসৰি এই যুৱ সংসদে গণতান্ত্ৰিক প্ৰক্ৰিয়াসমূহৰ সৈতে যুৱক-যুৱতীসকলৰ সংযোগ দৃঢ় কৰাৰ লগতে যুৱ নাগৰিকসকলক দেশৰ শাসন ব্যৱস্থা, নীতিগত আলোচনা আৰু সংসদীয় কাৰ্যকলাপসমূহৰ বিষয়ে হাতে-কামে শিকাৰ সুযোগ প্ৰদান কৰে। **বিকশিত ভাৰত** যুৱ সংসদ দেশৰ যুৱক-যুৱতীসকলৰ উদ্যম, ধাৰণা আৰু আকাংক্ষাসমূহক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাৰ জৰিয়তে সঠিক দিশলৈ আগবঢ়াই নিয়াৰ এটা আন্দোলন বুলি মন্ত্ৰালয়ে উল্লেখ কৰে।

০০০০

ভাৰতৰ নবীকৰণযোগ্য শক্তিখণ্ডৰ এটা গুৰুত্বপূৰ্ণ অগ্ৰগতিৰ প্ৰতীক হিচাপে কালি গোৱাত নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে উইণ্ড টাৰ্বাইন অৰ্থাৎ পৱন চক্ৰ যোগান শৃংখল ব্যৱস্থাপনা প'ৰ্টেল WT-MARUT মুকলি কৰে। আন্তঃৰাষ্ট্ৰীয় পৱন দিৱস ২০২৬ৰ ৰাষ্ট্ৰীয় সন্মিলনত এই প'ৰ্টেল মুকলি কৰা হয়। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয় আৰু ভাৰতীয় পৱন চক্ৰ নিৰ্মাণ সংস্থাই এই প'ৰ্টেল যুটীয়াভাৱে বিকশাই তুলিছে। দেশৰ প্ৰথমটো এনে ডিজিটেল মঞ্চৰ জৰিয়তে বায়ু শক্তিৰ যোগান শৃংখল সৰল, উৎপাদনমুখী তথা কাৰ্যকৰী কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে। দেশখনৰ হৈ অংশ লোৱা ৪০ বছৰীয়া গ'লৰক্ষক ভোজিনহাৰ চকুতলগা প্ৰদৰ্শনে অনুৰাগীসকলৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। ২০১০ চনত ফিফা বিশ্বকাপ জয় কৰা স্পেইনে এইবেলিও দ্বিতীয়বাৰৰ বাবে খিতাপ দখল কৰিবলৈ আপ্ৰাণ প্ৰয়াস চলাব যদিও দলটোৰ প্ৰশিক্ষক লুইছ ডি লা ফ'ৰেণ্টে একেটা গ্ৰুপতে থকা কেপভাৰ্ডেই বিশ্বকাপত সকলোকে আচৰিত কৰিব পৰা প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম বুলি সকীয়াই দিছে।

ইপিনে প্ৰতিযোগিতাৰ গ্ৰুপ-এফৰ এখন খেল কালি নেডাৰলেণ্ডছ আৰু জাপানৰ মাজত ২-২ গ'লত অমিমাংসিত হৈ থাকে।

আকৌ আইভৰি কোষ্টে গ্ৰুপ-ইৰ এখন খেলত ইকুৱেডৰক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। দলটোৰ হৈ এ ডায়েলোৱে ৯০ মিনিটত বিজয়সূচক গ'লটো দিয়ে।

আকৌ ছুইডেনে কালি গ্ৰুপ-এফৰ এখন খেলত টিউনিছিয়াৰ বিৰুদ্ধে ৫-১ গ'লৰ বৃহৎ ব্যৱধানত জয়লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ